অধ্যায় ১০ ঃ লোকসংস্কৃতিৰ চমু আভাস

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ লোকসংস্কৃতি — সাধাৰণ পৰিচয়
১০.৪ অসমৰ লোকসংস্কৃতি
১০.৪.১ মৌখিক সাহিত্য
১০.৪.২ ভৌতিক সংস্কৃতি
১০.৪.৩ সামাজিক লোকপ্ৰথা বা লোকাচাৰ
১০.৪.৪ লোকপৰিৱেশ্য কলা
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্ৰগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লোকসংস্কৃতি কাক বোলে সেই বিষয়ে ধাৰণা লাভ কৰিব
- লোকসংস্কৃতিৰ বিভিন্ন বিভাগসমূহৰ বিষয়ে জানিব পাৰিব
- অসমৰ লোকসংস্কৃতি সম্পৰ্কে অৱগত হ'ব
- অসমৰ ভৌতিক সংস্কৃতি, সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ আৰু লোকপৰিৱেশ্য কলাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া সংস্কৃতিলৈ মুছলমানসকলে কেনেদৰে অৱদান আগ বঢ়ালে সেই বিষয়ে অধ্যয়ন কৰিলে। প্ৰংসগক্ৰমে উল্লেখ কৰি যাওঁ যে ইতিমধ্যে আপুনি অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশৰ লগত পৰিচিত হোৱাৰ লগতে অসমীয়া সংস্কৃতিযে সমন্বয় আৰু সমাহৰণৰ দ্বাৰা সৃষ্টি হৈছে সেই বিষয়ে পূৰ্বৱৰ্তী অধ্যায়সমূহত অধ্যয়ন কৰিলে। এতিয়া আমি লোকসংস্কৃতি সম্পৰ্কে কিছু কথা আলোচনা কৰিম।

লোকসমাজৰ সামাজিক আচৰণেই লোকসংস্কৃতি। অৰ্থাৎ লোকসংস্কৃতি লোকজীৱনৰ

দলিলস্বৰূপ। কোনো এটা জাতিৰ চিন্তা চর্চা, বিশ্বাস-পৰম্পৰা, আচাৰ-ব্যৱহাৰ, উৎসৱ-পার্বণ, ধর্ম আদি সেই জাতিটোৰ লোকসাংস্কৃতিক উপাদানসমূহৰ অধ্যয়নৰ জৰিয়তে জানিব পাৰি। এটা জাতিৰ লোকসংস্কৃতিৰ স্বৰূপ প্রধানতঃ লোকসাহিত্য আৰু লোকবিশ্বাসৰ মাজেদি প্রকাশ পায়। যুগ যুগ ধৰি মানুহে লাভ কৰা অভিজ্ঞতা, চর্চিত বিষয় আৰু শিকা কথাৰ সঞ্চিত ভাণ্ডাৰেই হ'ল লোকসাহিত্য আৰু লোকবিশ্বাস। ধর্মীয় অনুষ্ঠান, পূজা-পাতল, লোকবিশ্বাস, নিয়ম-কানুন, সাধু, পুৰণি আখ্যান-উপাখ্যান, নৃত্য, নাট্য, অভিনয়, ক্রীড়া, কৌতুক, প্রকৃতিৰ ব্যাখ্যা আদি সকলোৰে সমাহাৰত লোকসংস্কৃতি সম্পূর্ণ। এই অধ্যায়টিত লোকসংস্কৃতিৰ সংজ্ঞাৰ লগতে সাধাৰণ পৰিচয় দাঙি ধৰি অসমীয়া লোকসংস্কৃতিৰ বিষয়ে সম্যক ধাৰণা প্রদান কৰা হৈছে।

১০.৩ লোকসংস্কৃতি — সাধাৰণ পৰিচয়

লোকসংস্কৃতি লোকজীৱনৰ জীৱন চর্চা। ই সংস্কৃতিৰ এটা অন্যতম বিভাগ। ইয়াৰ ইতিহাস মানৱ জাতিৰ ইতিহাসৰ সমানেই পুৰণি। 'উপাদান আৰু নির্মাণ কার্যত অতীত আৰু বর্তমান সমসাময়িক হৈ থাকে।' সেয়ে ইয়াৰ ৰূপ আৰু পৰিৱেশ কাল নিৰপেক্ষ বুলিব পাৰি। 'লোকসংস্কৃতি' পৰিভাষাটো ব্যৱহৃত হৈছে ইংৰাজী 'Folk lore' শব্দটোৰ অর্থ সূচাবলৈ। Folk-ৰ অর্থ 'লোক' বা 'জন', lore-ৰ অর্থ 'বিদ্যা'। Lore শব্দটোৰ আভিধানিক অর্থ বিদ্যা হ'লেও শব্দটোৱে সংস্কৃতিৰ অর্থতেই ব্যৱহাৰ হৈ আহিছে।

ঊনবিংশ শতিকাৰ আৰম্ভণিৰ কালছোৱাত ব্রিটিছ পুৰাতত্ত্ববিদ আৰু জার্মানীৰ ভাষাতত্ত্ববিদসকলে সমাজৰ নিম্ন বর্গৰ লোকসকলৰ মাজত পৰম্পৰাগতভাৱে চলি অহা গীত-মাত, সাধুকথা আদিৰ প্রতি গভীৰভাৱে মনোনিৱেশ কৰিবলৈ ধৰে আৰু এনেদৰেই Folklore নামেৰে অধ্যয়নৰ এক নতুন ক্ষেত্রৰ সূচনা হয়। জেকব গ্রিম আৰু উইলহেম গ্রিম— এই জার্মান ভাতৃদ্বয়ে অধ্যয়নৰ এই নতুন শাখাটিক বুজাবলৈ Volks Kunde (Volks = Folk = লোক আৰু Kunde = Lore = অভিজ্ঞতা) পদটোৰ ব্যৱহাৰ কৰে আৰু ১৮১২ চনত তেওঁলোকে জার্মানীৰ লোককথাৰ প্রথম খণ্ড *Kinder and Hausmarchen* প্রকাশ কৰে। অৱশ্যে ১৮৪৬ চনতহে উইলিয়াম জন থম্‌ছে ইংৰাজী Folklore পদটিৰ সৃষ্টি কৰে। সেই সময়ত Folk শব্দটো নিৰক্ষৰ, কৃষিজীৱী, গ্রামাঞ্চলৰ অধিবাসী লোকসকলক বুজাবলৈ ব্যৱহৃত হৈছিল। এলান ডাণ্ডেজে তেওঁৰ *Essays in Folkloristics* গ্রন্থত Folk পদটোৰ সংজ্ঞা এনেদৰে সুনির্দিষ্ট কৰিছে — "কম পক্ষেও এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ যি কোনো এক জনসমষ্টিয়েই হ'ল Folk (লোক)। সংযোজক উপাদানটো কি, সেইটো লৈ কোনো কথা নাই— একে জীৱিকাও হ'ব পাৰে, একে ভাষা বা একে ধর্মও হ'ব পাৰে— কিন্তু দৰকাৰী কথাটো হ'ল এয়ে যে, যি কাৰণতেই তেনে জনসমষ্টিটো গঠন নহওক কিয়, সেই জনসমষ্টিটোৱে নিজৰ বুলি ক'ব পৰা কিবা পৰম্পৰা থাকিব লাগিব।"

পৰম্পৰাক আমি এক প্রকাৰে ঐতিহ্য বুলিও ক'ব পাৰোঁ। পুৰুষানুক্রমে যি ঐতিহ্য চলি

আহি আছে সেয়াই পৰম্পৰা। পৰম্পৰাৰ দ্বাৰা স্বীকৃত কার্যাৱলীহে সংস্কৃতি, অন্যথা নহয়। যোৱা ষাণ্মাসিকৰ দ্বিতীয় অধ্যায়ত আপুনি অধ্যয়ন কৰি আহিছে যে অভিজাত সংস্কৃতি লিখিত পৰম্পৰা আশ্রয়ী আৰু তাৰ বিপৰীতে লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতি মৌখিক পৰম্পৰা আশ্রয়ী। লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতি উভয়েই প্রকৃতার্থত গঞা সংস্কৃতি আৰু দুয়োটাৰে মাজত যথেষ্ট মিল বর্তমান। অনেক ক্ষেত্রত জনজাতীয় সংস্কৃতি লোকসংস্কৃতিৰ বহল পৰিসৰতে সোমাই পৰে। অসমৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য। অৱশ্যে মন কৰিবলগীয়া যে, লোকসংস্কৃতি মৌখিক পৰম্পৰা আশ্রয়ী যদিও তাৰ অর্থ এইটো নহয় যে লিখিত পৰম্পৰাৰ লগত কোনো সম্পর্ক নাথাকিব। এই দুই পৰম্পৰাৰ গতিপথ দুটা সমান্তৰাল নহয়, বৰং কেতিয়াবা কেতিয়াবা দুয়োটা গতিপথ একাকাৰ হৈ পৰে আৰু উভয়ে উভয়কে প্রভাৱান্বিত কৰে। অনেক ক্ষেত্রত প্রাচীন সাধুকথা, কাহিনী-গীত, কাব্য, লোকোক্তি আদি মৌখিক পৰম্পৰাৰ পৰা সংগ্রহ কৰি প্রচলিত সাহিত্য-ৰীতিৰ লগত খাপ খোৱাকৈ ছপাই প্রকাশ কৰা হয়। ইয়াৰ বিপৰীতে আকৌ কেতিয়াবা লিখিত পৰম্পৰাৰ সমলো মৌখিক সাহিত্যৰ পৰম্পৰাই গ্রহণ কৰি নতুন ৰূপ দান কৰে; কাৰবি ৰামায়ণ *চাবিন আলুন* ইয়াৰ সুন্দৰ উদাহৰণ।

আধুনিক যুগত লোকসংগীত, লোকনৃত্য আদি লোকপৰিৱেশ্য কলাৰ ক্ষেত্রত অভিজাতকৰণৰ এক প্রক্রিয়া লক্ষ্য কৰা যায়। লোকসংস্কৃতিৰ এনে বিভিন্ন সমলৰ শ্রব্য আৰু দৃশ্য ৰূপ যান্ত্রিক উপায়েৰে লিপিবদ্ধ কৰি ৰেডিঅ', টেলিভিছন আদি বিভিন্ন মাধ্যমৰ জৰিয়তে সম্প্রচাৰ কৰা হয়। এই প্রক্রিয়া মৌখিক পৰম্পৰাৰ সমলক লিখিত পৰম্পৰাৰ সমললৈ পৰিৱর্তিতকৰণৰে অন্য এক ৰূপ বুলি ক'ব পাৰি। লোকসংস্কৃতিৰ সংৰক্ষণৰ দোহাই দিলেও এটা কথা সত্য যে টেলিভিছনৰ পর্দাত প্রদর্শিত বিহুনাচ, বিহুগীত জীৱন্ত তেজ-মঙহৰ ডেকা-গাভৰুৰ দল এটাৰ দ্বাৰা প্রদর্শিত বিহুনাচ, বিহুগীতৰ দৰে সমানে প্রাণৱন্ত আৰু উল্লাসপূর্ণ হ'ব নোৱাৰে।

Folk শব্দটোৰ কেতবোৰ বিশেষত্ব লক্ষ্য কৰা যায়। সাধাৰণভাৱে ধৰি লোৱা হয় যে Folk-ৰ অন্তর্গত লোকসকল বিশেষকৈ অতীতমুখী; তেওঁলোকে যুক্তিতকৈ বিশ্বাসক অধিক প্রাধান্য দিয়ে; তেওঁলোকে মৌখিক পৰম্পৰা, তন্ত্র-মন্ত্র, যাদুবিদ্যা আদিত আশ্রয়ী; তেওঁলোক নিৰক্ষৰ (বেছিভাগ), অনগ্রসৰ; সমাজৰ নিম্নস্তৰৰ লোক; তেওঁলোকে হস্ত নির্মিত শিল্পজাত সামগ্রীৰ ওপৰত অধিক গুৰুত্ব দিয়ে আৰু তেওঁলোকে কোনো এটা অঞ্চলৰ প্রান্ত ভাগত বসবাস কৰে। কিন্তু লোকসংস্কৃতিৰ বিষয়ে ধাৰণা বা ইয়াৰ তত্ত্বৰ পৰিসৰ ক্রমাৎ বহল হৈ অহাৰ লগে লগে Folk বা লোকৰ বিষয়ে ধাৰণাৰো সলনি হৈছে। সম্প্রতি অতীতমুখী, অনগ্রসৰতা আৰু নিৰক্ষৰতাৰ উপৰি বর্তমানৰ শিক্ষা, দীক্ষা, ধ্যান-ধাৰণাৰে অগ্রসৰ সমাজখনকো ক্ষেত্রবিশেষে 'লোক'ৰ ধাৰণাই সামৰি লয়।

লোকসংস্কৃতিৰ সম্বন্ধ বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত বিভিন্ন মতামত আগবঢ়াইছে। এই ক্ষেত্রত মত পার্থক্য থকাও দৃষ্টি গোচৰ হয়। ঊনবিংশ শতিকাৰ বৃটিছ সমাজ বিজ্ঞানী আৰু নৃতত্ত্ববিদসকলৰ মতে— "যিসকল মানুহে আদিম আৰু অভিজাত শ্রেণীৰ মধ্যৱর্তী অর্থাৎ যিসকল আদিমো নহয় আনফালে অভিজাতো নহয়— যিসকল আদিম স্তৰৰ পৰা গঞা স্তৰলৈ আগবাঢ়িছে

সেই শ্রেণীৰ মানুহহে Folk, ফোক বা লোক।" মেকাইভাৰৰ মতে— "ন্যূনতম উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিক লোক বা Folk বুলিব পাৰি।" বৃটিছ পণ্ডিত এলান ডুনদেছৰ মতে— "কৃষক নিৰক্ষৰ গএগা আৰু সমাৰ নিম্ন স্তৰক লৈ সৃষ্টি সংস্কৃতিয়ে হ'ল লোকসংস্কৃতি।" ৰেডফিল্ডৰ মতে "লোকসংস্কৃতি কোনো এক সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপৰ এক অংশ বিশেষ মাথোন, সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপ নহয়।"

স্বৰূপার্থত, লোকসংস্কৃতি এক জীৱন্ত পৰম্পৰা; ই এক নিৰবচ্ছিন্ন প্ৰৰাহ। সমাজ বিজ্ঞানীসকলৰ মতে লোকসংস্কৃতিৰ সমলৰাজি দূৰ অতীততে সৃষ্টি হৈছিল আৰু অতীতৰ সেই সমলৰাজিৰ ৰূপ বৰ্তমান সমাজতো প্ৰৰাহিত হৈ আছে। পৰিশেষত ইয়াকে ক'ব পাৰি যে কোনো এটা নৃগোষ্ঠী বা সম্প্ৰদায়ৰ সামগ্ৰিক জীৱন পদ্ধতিৰ নামেই হ'ল লোকসংস্কৃতি (Folklore)। আধুনিক সমাজ-বিজ্ঞানীসকলে লোকসংস্কৃতিৰ অধ্যয়নৰ পৰিপূৰক হিচাপে লোকজীৱন (Folklife)-ৰ অধ্যয়নৰ ওপৰতো গুৰুত্ব দিছে। দৰাচলতে কোনো এক নির্দিষ্ট ভূ-খণ্ডৰ অন্তর্গত বিভিন্ন গাঁও, চহৰ, নগৰ আদিত বাস কৰা জনসাধাৰণৰ জীৱন-পদ্ধতিকেই লোকসংস্কৃতি আখ্যা দিব পাৰি। লোকজীৱনে পৰম্পৰাগত সংস্কৃতি আৰু বাচিক কলাৰূপৰ পূৰ্ণচিত্ৰ ৰূপায়িত কৰে। লোকসংস্কৃতি এই লোকজীৱনৰ হৃদয়-স্পন্দন স্বৰূপ। সেয়েহে লোকসংস্কৃতিৰ অধ্যয়নৰ ক্ষেত্ৰত মৌখিক সাহিত্যৰ লগতে লোকশিল্পীসকলৰ স্পর্শবেদ্য (tangible) সকলো প্ৰকাৰৰ সৃষ্টিকে সামৰি লোৱা উচিত।

লোকসংস্কৃতিৰ অন্তর্গত বিষয়বস্তুবোৰ হৈছে জনশ্রুতি, সাধুকথা, লোকোক্তি, সাঁথৰ, প্ৰবচন, মিথ, পুৰা কথা, মন্ত্ৰ, গালি-গালাজ, পোছাক-পৰিচ্ছদ, বেশভূষা, আ-অলংকাৰ, লোককলা, লোকবিশ্বাস, লোকনৃত্য, লোকনাট্য, লোকঔষধ, লোকচিকিৎসা, বাদ্যযন্ত্ৰ, গীত-পদ, ভাষা, দোৱান, লোককবিতা, খেল-ধেমালি, বন্ধন-প্ৰকৰণ, অংগী-ভংগী, মুদ্ৰা, প্ৰার্থনা, লোকব্যুৎপত্তি, উৎসৱ-পার্বণ ইত্যাদি।

লোকসংস্কৃতিক বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ভাগ কৰি দেখুৱাইছে। প্ৰসিদ্ধ লোকসংস্কৃতিবিদ ৰিচার্ড এম. ডৰচনৰ মতে —

(ক) মৌখিক সাহিত্য (Oral literature)

(খ) ভৌতিক সংস্কৃতি (Material culture)

(গ) সামাজিক লোকপ্ৰথা বা লোকাচাৰ (Social Folk custom)

(ঘ) লোকপৰিৱেশ্য কলা (Folk Performing art)

অসমৰ লোকসংস্কৃতিবিদ ড° বীৰেন্দ্ৰনাথ দত্ত, ড° নবীন চন্দ্ৰ শর্মা প্ৰভৃতিয়েও অসমীয়া লোকসংস্কৃতিৰ বিভাজনৰ ক্ষেত্ৰত ৰিচার্ড এম. ডৰচনৰ মতকেই সমর্থন কৰিছে। আনহাতে অধ্যাপক নাহেন্দ্ৰ পাদুনে ভাগ কৰিছে এনেধৰণে—

(ক) বাচিক কলা (Verbal Art)

(খ) লোককলা শিল্প (Folk Art Industry)

(গ) লোককবিতা (Folk Poetry)

(ঘ) লোকক্রীড়া (Folk Games)

ৰিচার্ড এম. ডৰচনে কৰা বিভাজন সূচীৰ সহায়েৰেই অসমীয়া লোকসংস্কৃতিৰ বিষয়েও আলোচনা কৰিব পাৰি। তলৰ শাখাটোত এই বিষয়ে সম্যক পৰিচয় দাঙি ধৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ইংৰাজী "Folklore" শব্দটোৰ অসমীয়া আভিধানিক অর্থ কি?

.....

প্রশ্ন নং ২ ঃ ৰিচার্ড এম. ডৰচনে লোকসাহিত্যক কেইটা ভাগত ভাগ কৰিছে?

.....

১০.৪ অসমৰ লোকসংস্কৃতি

বিভিন্ন নৈ উপনৈৰ জলৰাশিৰে বৰলুইত সৃষ্টি হোৱাৰ দৰে বিভিন্ন নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমন্বয়ত অসমীয়া লোকসংস্কৃতিৰ জন্ম হৈছে। অর্থাৎ অসমীয়া লোকসংস্কৃতি সমন্বয় প্রক্রিয়াৰ আধাৰত সৃষ্ট। এই ক্ষেত্রত আমি অসমৰ ঐতিহাসিক, ভৌগোলিক, সামাজিক, ভাষিক আদি প্রভাৱৰ কথাও স্বীকাৰ কৰিব লাগিব। ঐতিহাসিকভাৱে অসমীয়া সংস্কৃতি বিভিন্ন ৰূপান্তৰৰ মাজেৰে আজিৰ অৱস্থাত উপনীত হৈছে। ভৌগোলিক দিশত অসম ৰাজ্যখন বিভিন্ন নদ-নদী, পাহাৰ-পর্বত আৰু অন্যান্য প্রাকৃতিক পৰিৱেশেৰে সমৃদ্ধ। এইবোৰে অসমীয়া সংস্কৃতিত যথেষ্ট প্রভাৱ পেলাইছে। সেইদৰে অসম ৰাজ্য বিভিন্ন জাতি জনজাতিৰ মিলনভূমি। জনজাতিসকলৰ ভিতৰত বড়ো, কাৰবি, মিছিং, ৰাভা, তিৱা, হাজং, ডিমাছা, দেউৰী উল্লেখযোগ্য। অসমখন বিভিন্ন ধর্মাৱলম্বী আৰু বিভিন্ন ভাষা-ভাষীৰ বাসস্থান। ভাষাৰ ক্ষেত্রত জনজাতিসকলৰ প্রত্যেকৰে নিজস্ব ভাষা আৰু উপভাষা আছে। সেইদৰে অসমীয়া ভাষাটোৰো বিভিন্ন অঞ্চলবিশেষে কথ্য ৰূপ আছে। মুঠতে, অসমীয়া লোকসংস্কৃতিৰ পথাৰখন বিচিত্র সম্ভাৰেৰে সমৃদ্ধ।

অসমীয়া লোকসংস্কৃতিৰ বিষয়ে আলোচনাৰ আৰম্ভণিতে অসমৰ অধিবাসীসকলৰ বিষয়ে কেইটামান কথা জানি লোৱা আৱশ্যক। ইতিহাস-পূর্ব সময়ৰে পৰা কিদৰে নেগ্রিট', অষ্ট্রিক, তিব্বত-বর্মীয়, আর্য আদি বিভিন্ন নৃ-গোষ্ঠীৰ লোকে অসমলৈ প্রব্রজিত হৈ আহি বসবাস কৰি আহিছে সেই সম্পর্কে আপুনি এই পাঠ্যবিষয়ৰে প্রথম অধ্যায়ত ইতিমধ্যে অধ্যয়ন কৰি আহিছে। সেই কথাখিনি এইটো অধ্যায়ৰ বাবেও প্রাসংগিক।

সামগ্রিকভাৱে অসমৰ অধিবাসীসকলক জাতি আৰু জনজাতি— এই দুটা বহল শ্রেণীত বিভক্ত কৰা হৈছে। ভাৰতীয় সংবিধানে অনুসূচিত জনজাতি (ভৈয়াম) আৰু অনুসূচিত জনজাতি (পার্বত্য) হিচাপে দুটা ভাগত স্বীকৃতি প্রদান কৰা জনজাতিসমূহৰ ভিতৰত বড়ো-কছাৰী, ৰাভা, হাজং, মিছিং, তিৱা বা লালুং, দেউৰী-চুতীয়া, কাৰবি, ডিমাছা আদি উল্লেখযোগ্য। হিন্দু বর্ণাশ্রম

ধর্মৰ অনুগামী ব্রাহ্মণ, কায়স্থ, কলিতা, শূদিৰ, কোচ ৰাজবংশী আদিৰ উপৰি অন্যান্য মুখ্য ধর্মীয় পন্থাৰ অনুগামী যেনে, মুছলমান, খ্রীষ্টিয়ান, বৌদ্ধ, জৈন, শিখ আদি জাতিৰ অন্তর্গত। কৈৱর্ত, কেওট, মালী, হীৰা, কুমাৰ, সূত্রধাৰ আদি হ'ল সংবিধান স্বীকৃত অনুসূচিত জাতি।

ভাৰতৰ অন্যান্য প্রান্তত জাতি আৰু জনজাতিৰ মাজত পার্থক্য বিদ্যমান, অসমত এনে পার্থক্য নাই। দৰাচলতে জনজাতি (Tribe) শব্দটোৱেই বিতর্কমূলক। পৰম্পৰাগত সমাজ-বন্ধনত বসবাস কৰা জনসমষ্টিৰ প্রসংগত সাধাৰণতে জনজাতি শব্দটো ব্যৱহাৰ কৰা হয়। অতীতত শ্বেতকায় ঔপনিবেশীয় লোকসকলে সভ্যতাই ঢুকি নোপো�ৱা দুর্গম ঠাইত বাস কৰা তথাকথিত আদিম বা অসভ্য লোকসকলৰ প্রতি প্রদর্শন কৰা উন্নাসিকতাৰ মনোভাব এই শব্দটোত জড়িত হৈ আছে বাবেই জনজাতি শব্দটোৰ পৰিৱর্তে সম্প্রদায় (Community) শব্দটোৰ ব্যৱহাৰ শ্রেয়। আর্য আৰু অনা-আর্য বিভিন্ন জাতি আৰু সম্প্রদায়ৰ সাংস্কৃতিক সমল অসমীয়া সংস্কৃতিত নিহিত হৈ আছে।

নবীনচন্দ্র শর্মাই তেওঁৰ গ্রন্থ *অসমীয়া লোকসংস্কৃতিৰ আভাসত* লিখিছে— "অসমীয়াকৰণ প্রক্রিয়াৰ সংযোগত বর্তমানৰ অসমত বসবাস কৰা বিভিন্ন নৃ-গোষ্ঠীয়ে সংমিশ্রিত অসমীয়া সংস্কৃতিৰ মূল প্রবাহত নিমজ্জিত হৈছে। অসমৰ জনজাতি আৰু অজনজাতি উভয়ে সাংস্কৃতিক অনুবর্তন (acculturation), সংহতি আৰু সমাহৰণ প্রক্রিয়াৰ সংযোগত একীভূত হৈ এনে এক বিৰল আৰু অনুপম সংস্কৃতিৰ সৌধ নির্মাণ কৰিছে, যাক সংমিশ্রিত অসমীয়া সংস্কৃতি ৰূপে আখ্যা দিব পাৰি। এই কাৰণেই অসমত জাতি আৰু জনজাতিৰ মাজত পার্থক্য বিচাৰি পোৱা নাযায়।" মুঠতে, জনজাতীয় সংস্কৃতিক একাষৰীয়া কৰি থৈ অসমীয়া লোকসংস্কৃতিৰ স্বৰূপ কল্পনা কৰিব নোৱাৰি।

ৰিচার্ড এম. ডৰচনে ভাগ কৰি দেখুওৱা পূর্বোক্ত চাৰিটা ক্ষেত্র অনুসৰিয়েই অসমীয়া লোকসংস্কৃতিৰ এটি সাধাৰণ আভাস তলত দাঙি ধৰা হ'ল।

১০.৪.১ মৌখিক সাহিত্য

লোকসাহিত্য লোকজীৱনৰ এখন সুন্দৰ দাপোণ স্বৰূপ; য'ত মানুহৰ চিন্তা, কল্পনা, সুখ-দুখ, আশা-নিৰাশা, হর্ষ-বিষাদ, ভক্তি আদি বিভিন্ন অনুভূতিৰ প্রতিফলন ঘটে। মানুহৰ স্মৃতিৰ ওপৰত ভিত্তি কৰি আদিম যুগৰেপৰা নিৰক্ষৰ চহা সর্বসাধাৰণ লোকৰ দ্বাৰা মুখে মুখে ৰচিত আৰু প্রচাৰিত হৈ অহা মানৱ জীৱনৰ বিভিন্ন অনুভূতি, সামাজিক চিত্র, প্রকৃতিৰ বিচিত্র ৰূপ আদি অনুপম প্রকাশেৰে লোকসাহিত্য সমৃদ্ধ। লোকসাহিত্য মানুহৰ মুখে মুখে যুগ যুগ ধৰি চলি অহা বাবে ইয়াক মৌখিক সাহিত্য বোলা হৈছে। সাধাৰণভাৱে ক'ব পাৰি যে, লিখিত সাহিত্যৰ আৰম্ভণিৰো পূর্বৰে পৰা মানুহৰ মুখে মুখে ৰচিত হৈ মৌখিক পৰম্পৰাৰে যিবোৰ ৰচনা চলি আহিছে তাকেই মৌখিক সাহিত্য বা বাচিক কলা বুলি কোৱা হয়। ইয়াক 'অলিখিত সাহিত্য', 'চহা সাহিত্য', 'লৌকিক সাহিত্য', লোকসাহিত্য' আদি বিভিন্ন অভিধাৰেও অভিহিত কৰা হয়।মৌখিক সাহিত্যৰ এটি প্রধান বিশেষত্বই হ'ল এয়ে যে, ইয়াত ৰচকৰ নাম-ধামৰ

কোনো উল্লেখ নাথাকে। মৌখিক ৰচনা হ'লেও লিখিত সাহিত্যৰ দৰেই এই শ্ৰেণীৰ সাহিত্যও নান্দনিক দিশত নিশ্চিতভাৱে সুসমৃদ্ধ আৰু ৰচোঁতাৰ কলাত্মক দক্ষতাৰ সুন্দৰ প্ৰকাশ। সেয়েহে মৌখিক সাহিত্যক 'অখ্যাত কবিৰ বিখ্যাত ৰচনা' বুলি কোৱা হয়।

মৌখিক সাহিত্য বা বাচিক কলাৰ ক্ষেত্ৰত অসমীয়া সংস্কৃতি বিশেষভাৱে চহকী। বিশ্বৰ অন্যান্য মৌখিক সাহিত্যৰ দৰে অসমীয়া মৌখিক সাহিত্যও অতি প্ৰাচীন কালৰে পৰা নিৰক্ষৰ চহালোকৰ মাজত ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। লিখিত সাহিত্য জন্মৰ পূৰ্বৰে পৰা চহালোকে গীত-মাত, সাধুকথা আদিৰ যোগেদি ব্যক্তিগত তথা জাতীয় জীৱনৰ আনন্দ-উৎসৱ, প্ৰেম-প্ৰীতি, আশা-নিৰাশা আদিৰ ভাব প্ৰকাশ কৰি আহিছে। এইবোৰৰ ৰচনাকাল সঠিককৈ কোৱা টান। অৱশ্যে কিছুমান গীতৰ বিষয়বস্তু আৰু তাত ব্যৱহৃত শব্দৰাজিৰ পৰা ৰচনাৰ সময় নিৰ্ণয় কৰিব পাৰি। যেনে— বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, পদুম কুঁৱৰীৰ গীত আদিৰ ৰচনাকাল ঊনবিংশ শতিকাৰ বুলি ধৰিব পাৰি। সেইদৰে দেহ বিচাৰৰ গীত, টোকাৰী গীত আদি ষোড়শ শতিকাৰ পিছৰ ৰচনা বুলি ক'ব পাৰি।

মন কৰিব যে, লোকসাহিত্যৰ ৰচয়িতা কোন সেয়া নিৰ্ণয় কৰা কঠিন আৰু মৌখিক পৰম্পৰা অনুক্ৰমে প্ৰবাহমান বাবে আঞ্চলিক ৰূপ বা পাঠান্তৰ থকাও পৰিলক্ষিত হয়। তদুপৰি ব্যক্তি নিৰপেক্ষ ৰূপো ইয়াৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। মৌখিক সাহিত্য বা লোকসাহিত্যই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰিব পাৰে। ঠিক সেইদৰে লিখিত সাহিত্যয়ো লোকসাহিত্যত প্ৰৱেশ কৰিব পাৰে।

পণ্ডিতসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন ধৰণে মৌখিক সাহিত্যৰ শ্ৰেণীবিভাজন কৰিছে; যেনে— জাতিগত শ্ৰেণীবিভাজন (Ethnic Genres), তাত্ত্বিক শ্ৰেণীবিভাজন (Analytical Categories), বিষয়বস্তু অনুসৰি কৰা শ্ৰেণীবিভাজন (Thematic Classification), প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন (Functional Classification), অনুষঙ্গগত শ্ৰেণীবিভাজন (Contextual Classification), আঞ্চলিক শ্ৰেণীবিভাজন ইত্যাদি। পৰৱৰ্তী অধ্যায়ত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমৰ জাতি আৰু জনজাতিৰ মাজত পাৰ্থক্য আছেনে?

.....

প্ৰশ্ন নং ৪ ঃ মৌখিক সাহিত্য বা লোকসাহিত্যই লিখিত পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰিব পাৰেনে?

.....

১০.৪.২ ভৌতিক সংস্কৃতি

ভৌতিক সংস্কৃতি বুলিলে বিশেষকৈ আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰীসমূহকে বুজা যায়। লোকস্থপতিবিদ্যা, লোকৰন্ধন প্ৰণালী, লোকআভৰণ, লোকশিল্প আৰু লোককলা ভৌতিক সংস্কৃতিৰ অন্তৰ্ভুক্ত। ভৌতিক সংস্কৃতিৰ বিষয়বস্তু লোকসংস্কৃতিৰ শ্ৰুতিগত আৰু দৃশ্যগত বা চাক্ষুষ আচৰণৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াত ৰক্ষণশীল পৰম্পৰা আৰু ব্যক্তিগত পৰিবৰ্তন এই উভয় শক্তিয়ে অবিৰতভাৱে ক্ৰিয়া কৰি থাকে। সমাজত নাৰী-পুৰুষে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, খাদ্য-দ্ৰব্য ৰান্ধে, খেতি-বাতি কৰে, মাছ-কাছ পোহে, কেনেকৈ কাপোৰ তৈয়াৰ কৰে, মাটি-পানীৰ ব্যৱস্থা কৰে, সাজ-সৰঞ্জাম, বাচন-বৰ্তন প্ৰস্তুত কৰে আদি চৰ্চাই হ'ল ভৌতিক সংস্কৃতিৰ মূল বিষয়।

অসমীয়া মানুহৰ গৃহ-সামগ্ৰীসমূহ জাতীয় জীৱনৰ চানেকি। ৰান্ধনী গৃহৰ পৰা আৰম্ভ কৰি খেতি-পথাৰৰ সা-সঁজুলিলৈকে, তাঁতশালৰ পৰা আৰম্ভ কৰি মাছ মৰালৈকে এই সকলোতে একক বৈশিষ্ট্য ফুটি উঠিছে। অসমীয়া মানুহে নিজৰ প্ৰয়োজনীয় প্ৰায়বোৰ সামগ্ৰী নিজে বাঁহ, বেত, কাঠ আদিৰে নিৰ্মাণ কৰি লয়। গৃহ নিৰ্মাণ পদ্ধতিও সুকীয়া। বাটচ'ৰা, বৰঘৰ, মাৰলঘৰ, ৰান্ধনিঘৰ, শোৱনি ঘৰ, ভঁৰাল ঘৰ, ঢেকী ঘৰ, গোহালি ঘৰ আদি সৰু সৰু গোটত অসমীয়া ঘৰবোৰ বিভক্ত। বানাক্ৰান্ত অঞ্চল আৰু পৰ্বতীয়া লোকসকলে (জনজাতি) চাংঘৰত বাস কৰে। মঠ-মন্দিৰ আৰু নামঘৰ অসমীয়া ধৰ্মীয় জীৱনৰ চানেকি স্বৰূপ। মঠ-মন্দিৰ আৰু নামঘৰ দুয়োবিধ নিৰ্মাণত অসমীয়া লোকস্থাপত্য শৈলীৰ আভাস বৰ্তমান। সেইদৰে বয়ন শিল্প, বাঁহ, বেত, কুঁহিলা আৰু হাতীদাঁতৰ শিল্প, মৃৎ শিল্প ধাতু জাতীয় শিল্প আদিৰ ক্ষেত্ৰত অসমীয়া লোকশিল্প তথা লোককলাৰ দক্ষতা ফুটি উঠিছে।

লোকআভৰণৰ অন্তৰ্ভুক্ত হ'ল সাজ-পাৰ আৰু আ-অলংকাৰ। সাজ-পাৰৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ ভিতৰতে একক, অনন্য। বিশেষকৈ মহিলাসকলে পৰিধান কৰা, ৰিহা, মেখেলা আৰু চাদৰ— এই তিনিবস্ত্ৰই অসমীয়া সাজ-পাৰৰ স্বকীয়তা বজাই ৰাখিছে। অসমীয়া আ-অলংকাৰৰ ক্ষেত্ৰতো স্বকীয়তা লক্ষ্য কৰা যায়। ইয়াৰ ইতিহাসো অতি পুৰণি। প্ৰাচীন অসমীয়া সাহিত্যই ইয়াৰ প্ৰমাণ দাঙি ধৰে।

খাদ্যাভাস আৰু ৰন্ধন প্ৰণালীতো অসমীয়াসকলৰ সুকীয়া ঠাঁচ আছে। খাৰ, টেঙা, খাৰলি, খৰিচা, কাহুদী আদি অসমীয়াৰ প্ৰিয় খাদ্য। আনকি 'খাৰ খোৱা অসমীয়া' বুলি এটি আপ্তবাক্যৰো প্ৰচলন আছে। ইয়াৰ পৰাই খাৰৰ প্ৰতি থকা অসমীয়াৰ দুৰ্বলতাৰ কথা অনুমান কৰিব পাৰি। সেইদৰে পিঠা পনা, লাড়ু, জা-জলপান আদি প্ৰস্তুত কৰাতো অসমীয়া নাৰী পাকৈত। এই বিষয়ে পাছৰ এটি অধ্যায়টিত বহলাই আলোচনা কৰা হ'ব।

১০.৪.৩ সামাজিক লোকপ্রথা বা লোকাচাৰ

সামাজিক লোকপ্রথা বা লোকাচাৰৰ পৰিসীমাত বিভিন্ন লোকবিশ্বাস, উৎসৱ-পার্বণ, খেল-ধেমালি, লোকঔষধ, লোকধর্ম, লোকচিকিৎসা অন্তর্ভুক্ত। অসমৰ জাতি ধর্ম নির্বিশেষে সকলো শ্রেণীৰ লোকে সময় অনুযায়ী বিভিন্ন ধৰণৰ উৎসৱ-পার্বণ পালন কৰে। উৎসৱসমূহ সামাজিক আচৰণৰ বর্হিঃ প্রকাশ বুলিব পাৰি। ইয়াৰ লগতে জড়িত হৈ থাকে বিভিন্ন লোকবিশ্বাস। উৎসৱসমূহ বিশেষকৈ আদিম মানৱে কৰা ঐন্দ্রজালিক ক্রিয়া-কাণ্ডৰ সৈতে সম্পর্কীত।

লোকবিশ্বাসৰ আধাৰতেই যিকোনো এখন জন-সমাজৰ বিবিধ আচাৰ-অনুষ্ঠান, ধর্মীয় কৃত্য আৰু লোকধর্মৰ উমান পাব পাৰি। অর্থাৎ লোকবিশ্বাসৰ আধাৰতেই এইবোৰ গঢ় লৈ উঠে। আনহাতে লোকবিশ্বাসৰ মাজতে সোমাই আছে অন্ধবিশ্বাসো। বিভিন্ন লোকসংস্কৃতিবিদে লোকবিশ্বাসসমূহক পুনৰ কেইবাটাও সৰু সৰু বিভাগত বিভক্ত কৰি আলোচনা কৰিছে। তথাপিও গঠনপ্রণালীৰ দিশেৰে ইয়াক তিনিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি — সংকেত লোকবিশ্বাস, যাদু লোকবিশ্বাস আৰু পৰিৱর্তিত লোকবিশ্বাস।

পৰম্পৰাগতভাৱে লোকসমাজত প্রচলিত হৈ অহা উৎসৱ-অনুষ্ঠানসমূহকে লোক উৎসৱ-অনুষ্ঠান বুলি কোৱা হয়। উৎসৱ-অনুষ্ঠান মূলতঃ বিশেষ এক নির্দিষ্ট সামাজিক বা সাংস্কৃতিক আচৰণৰ আধাৰত জন্ম নহয়। বিভিন্ন সাংস্কৃতিক আচৰণৰ সমষ্টিগত উপাদানৰ অনুষংগ স্বৰূপে উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। উৎসৱ-অনুষ্ঠানসমূহক সাধাৰণতে কেইটিমান শ্রেণীত বিভক্ত কৰি আলোচনা কৰা হয়। যথা—

- ঋতুকালীন উৎসৱ-অনুষ্ঠান
- পঞ্জিকা আশ্রয়ী উৎসৱ-অনুষ্ঠান
- সীমিত অংশগ্রহণকাৰী উৎসৱ-অনুষ্ঠান
- সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান

লোকজীৱনত আনন্দ আৰু কর্মস্পৃহা যেনেকৈ আছে ঠিক তেনেদৰে এইবোৰৰ পৰা ক্ষন্তেক বিৰতিৰ বাবে বিভিন্ন অৱসৰ-বিনোদন আৰু খেল-ধেমালিও প্রচলিত হৈ আহিছে। মূলতঃ লোকজীৱনক গতিশীল আৰু ক্রিয়াশীল কৰি ৰাখিবৰ বাবেই এইবোৰৰ জন্ম।খেল-ধেমালিসমূহক মূলতঃ দুটা প্রধান ভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা — অৱসৰ বিনোদনধর্মী খেল-ধেমালি আৰু প্রতিযোগিতামূলক খেল-ধেমালি

পূর্বতে জনসমাজত নিজৰ তথা পোহনীয়া জীৱ-জন্তু, পশু-পক্ষীৰ ৰোগ নিৰাময়ৰ বাবে বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদি ব্যবহাৰ কৰিছিল। ইয়াৰ পৰিণতিতেই জন্ম লোকঔষধ, লোকচিকিৎসা। অসমৰ লোকঔষধ

আৰু লোকচিকিৎসাক মূলতঃ দুটা শ্ৰেণীত বিভক্ত কৰি আলোচনাত প্ৰবৃত্ত হ'ব পাৰি — প্ৰাকৃতিক লোকচিকিৎসা আৰু যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা

জনসমাজত প্ৰচলিত বিভিন্ন লোকবিশ্বাসৰ আধাৰতে লোকধৰ্মৰ সৃষ্টি হৈছে। লোকধৰ্ম মানে আমি লোকসমাজত প্ৰচলিত ধৰ্মৰ কথাকেই বুজোঁ। অসমত প্ৰচলিত খেতৰ-খেতৰীৰ পূজা, গো পূজা, শিল পূজা, গ্ৰহ পূজা, ভঠেলী, বৰাত পাশ পূজা, মনসা পূজা, ধৰ্ম দেৱতাৰ পূজা আদিয়ে লোকধৰ্মৰ চানেকি দাঙি ধৰে।

ইয়াৰ পৰৱৰ্তী এটি অধ্যায়ত অসমৰ বিভিন্ন সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ লোকআভৰণ অধ্যয়নত কি কি অন্তৰ্ভুক্ত হৈ আছে?

.....

প্ৰশ্ন নং ৬ ঃ উৎসৱ-পাৰ্বনক মূলত কেইটা ভাগত ভগাই আলোচনা কৰিব পাৰি?

.....

১০.৪.৪ লোকপৰিৱেশ্য কলা

লোকপৰিৱেশ্য কলা বুলিলে সাধাৰণতে লোকসংগীত আৰু লোকনাট্যকে বুজা যায়। লোকসংগীতত লোকগীত, লোকনৃত্য আৰু লোকবাদ্য অন্তৰ্ভুক্ত। লোকনৃত্য লোক বা চহাসকলৰ দ্বাৰা অনুষ্ঠিত নৃত্য। এই নৃত্য বহু পৰিমাণে মৌখিক সঞ্চৰণৰ ওপৰত নিৰ্ভৰশীল। গীত, বাদ্য আৰু অভিনয় ইয়াৰ অবিচ্ছেদ্য অংগ। লোকনৃত্য কোনো এক বিশেষ অনুষংগত অনুষ্ঠিত হয়। লোকনৃত্য জন্মৰ পৰা মৃত্যু পৰ্যন্ত মানৱ জীৱনৰ লগত সম্পৰ্কীত। এই নৃত্যত প্ৰতীকী অৰ্থ প্ৰকাশৰ প্ৰৱণতা বৰ্তমান। মানুহ, জীৱ জন্তু, শস্যক্ষেত্ৰ আদিৰ উৰ্বৰতা বৃদ্ধি, ভূত-প্ৰেতাদি দূৰীভূতকৰণ, নিৰাময় কামনা, মৃত্যুৰ ভয়াৱহতা আদি এই নৃত্যৰ সৈতে জড়িত হৈ আছে। লোকনৃত্য লোকগীতৰ লগত জড়িত আৰু ই প্ৰায়ে বৃত্ত নৃত্য। অনুষংগ বা প্ৰসংগ অনুসৰি অসমৰ লোকনৃত্যক আমি এনেদৰে বিভাজন কৰিব পাৰো—

- পূজা-উপাসনাৰ লগত জড়িত নৃত্য
- উৎসৱ-অনুষ্ঠানৰ লগত জড়িত নৃত্য

অসমীয়া জনসমাজত প্ৰচলিত বিভিন্ন পূজা-উপাসনা পদ্ধতিসমূহৰ লগত ওতপ্ৰোতভাৱে সম্পৃক্ত হৈ আছে নৃত্য। সেইবোৰৰ ভিতৰত — পুতলা নাচ, ঢুলীয়া নাচ, ওজাপালি নাচ তথা বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত দেওধা-দেউলা নাচসমূহ উল্লেখযোগ্য।

পৃথিৱীৰ প্ৰায়বিলাক সংস্কৃতিতে প্ৰচলিত উৎসৱ-অনুষ্ঠানৰ লগত গীত আৰু নৃত্য সম্পৰ্কীত হৈ থকাৰ দৰে অসমীয়া সংস্কৃতিটো ইয়াৰ প্ৰচলন ব্যাপক। এইবোৰৰ লগত জড়িত নৃত্যসমূহকে আমি উৎসৱ-অনুষ্ঠানৰ লগত জড়িত নৃত্য বুলি অভিহিত কৰোঁ। যেনে — বিহু নৃত্য, হুঁচৰি নৃত্য, বড়োসকলৰ বাগৰুম্বা, বৈসাগু, বগেজৰী, ৰাভাসকলৰ সাথাৰ, ঠেঙাল কছাৰীসকলৰ মাজত প্ৰচলিত জেং বিহু, গাভৰু বিহু, কাৰবিসকলে কৰা দোমাহী আলুন আদি প্ৰায়বোৰেই উৎসৱৰ (বিশেষকৈ বহাগ বিহু) লগত সম্পৰ্কীত নৃত্য।

লোকনাট্য এক প্ৰকাৰৰ গীতাভিনয় বা নৃত্য-গীত-বাদ্য আৰু অভিনয়ৰ সমষ্টি। বহুসময়ত লোকনাট্যত নৃত্য-গীতৰ আধিক্যহে দেখা যায়। অসম লোকনাট্য পৰম্পৰাৰ এখন চহকী ৰাজ্য। অসমৰ কেইটিমান উল্লেখযোগ্য লোকনাট্যানুষ্ঠান হ'ল — পুতলা নাচ, ওজাপালি, ঢুলীয়া-নাচ, খুলীয়া-ভাউৰীয়া, কুশান গান, ভাৰী-গান, পালা-গান, ধুৱা-নাট আদি। আনহাতে সংগীতৰ ক্ষেত্ৰত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদানকে বাদ্যযন্ত্ৰ বোলা হয়। লোকসংগীত বা শাস্ত্ৰীয় সংগীত সকলোতেই বাদ্যই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। অসমীয়া লোকবাদ্যৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ ঢোল, তাল, বাঁহী, পেঁপা আদি উল্লেখযোগ্য। পৰৱৰ্তী এটি অধ্যায়ত এই বিষয়ে বহলাই আলোচনা কৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ অসমৰ লোকনৃত্যক কেইটা ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি?

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকসংস্কৃতি লোক জীৱনৰ প্ৰতিচ্ছবি বুলিব পাৰি। লোকসংস্কৃতি মানৱ জাতিৰ ইতিহাসৰ সমানে পুৰণি। 'লোকসংস্কৃতি' বুজাবলৈ ইংৰাজী Folklore শব্দটো ব্যৱহাৰ কৰা হয়। ইয়াক এক জীৱন্ত পৰম্পৰা আৰু নিৰবচ্ছিন্ন প্ৰৱাহ বুলিব পাৰি। লোকসংস্কৃতি বুলিলে সাধাৰণতে কোনো এটা নৃগোষ্ঠী বা সম্প্ৰদায়ৰ সামগ্ৰীক জীৱন পদ্ধতিক বুজা যায়। জনশ্ৰুতি, লোকোক্তি, সাধুকথা, সাঁথৰ, প্ৰবচন, মন্ত্ৰ, গালি-গালাজ, পোছাক-পৰিচ্ছদ, লোকবিশ্বাস, লোকনৃত্য আদি কেতবোৰ লোকসংস্কৃতিৰ অন্যতম বিষয়।

- অসমীয়া লোকসংস্কৃতি সমন্বয় প্রক্রিয়াৰ দ্বাৰা সৃষ্টি হৈছে। ব্যক্তিভেদে অসমীয়া লোকসংস্কৃতিৰ বিভাজন ভিন্ন ৰূপত পোৱা যায়। ৱিচার্ড এম. ডৰচনে বিভাজন কৰা মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্রথা বা লোকাচাৰ, লোকপৰিৱেশ্য কলা এইকেইটা শ্রেণীকে লোকসংস্কৃতিৰ অন্যতম বিভাগ বুলি মানি অহা হৈছে।
- অতি প্রাচীন কালৰে পৰা নিৰক্ষৰ চহা লোকৰ মাজত ৰচিত আৰু প্রচাৰিত হৈ অহা সাহিত্যই হ'ল মৌখিক সাহিত্য।
- ভৌতিক সংস্কৃতি বুলিলে বিশেষকৈ আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্রীসমূহকে বুজা যায়। লোকস্থপতিবিদ্যা,লোকৰন্ধন প্রণালী,লোকআভৰণ, লোকশিল্প আৰু লোককলা ভৌতিক সংস্কৃতিৰ অন্তর্ভুক্ত।
- বিভিন্ন লোকবিশ্বাস, উৎসৱ-পার্বণ,খেল-ধেমালি, লোকঔষধ, লোকধর্ম, লোকচিকিৎসা আদিক সামাজিক লোকপ্রথা বা লোকাচাৰৰ ভিতৰত থ'ব পাৰি।
- লোকসংগীত আৰু লোকনাট্য এই দুবিধেই হ'ল লোকপৰিৱেশ্য কলাৰ মূল উপজীব্য বিষয়। লোকসংগীতত লোকগীত, লোকনৃত্য আৰু লোকবাদ্য অন্তর্ভুক্ত। লোকনৃত্য লোক বা চহাসকলৰ দ্বাৰা অনুষ্ঠিত নৃত্য। গীত, বাদ্য আৰু অভিনয় ইয়াৰ অবিচ্ছেদ্য অংগ। পুতলা নাচ, ঢুলীয়া নৃত্য, ওজাপালি নৃত্য, দেওধনী নৃত্য, খেৰাই, বিহু, গুমৰাগ, বাইডিমা, বহুৱা নৃত্য আদি অসমৰ কেইটিমান উল্লেখযোগ্য লোকনৃত্য তথা লোকনাট্য। আনহাতে সংগীতৰ ক্ষেত্রত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদনকে বাদ্যযন্ত্র বোলা হয়। লোকসমাজত প্রচলিত বাদ্যই হ'ল লোকবাদ্য।



১০.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কাগ্য়ুং, ভৃগুমুনি (সম্পা.) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৩) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) নার্জি, ভবেন (১৯৭১); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৫) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

৬) নেওগ, মহেশ্বৰ (১৯৬৪), *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৮) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৯) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১০) ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১১) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১২) শর্মা, নবীন চন্দ্র (সম্পা.) (১৯৮৭); *ডাক প্রৱচন;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৩) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৪) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্রন্থ ঃ

১৫) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyers Book Stall.

১৬) Boro, A. (2001). *Folk Literature of the Boros – An Introduction*. Guwahati: Adhunik Prakasan.

১৭) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

১৮) Dundes, A.. (1978). *Essays in Folkloristics*. Folklore Institute.

১৯) Dutta, B. N. & et. al. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২০) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২১) Sarma, N.C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasani.

২২) Tylor E. B.(1920). *Primitive Culture, Vol. 1.* W. London: John Murray, Albemarle Street.

১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ লোকসংস্কৃতি।

২ নং প্রশ্নৰ উত্তৰ ঃ ৪ টা ভাগত।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ অন্যান্য প্রান্তত জাতি আৰু জনজাতিৰ মাজত পার্থক্য বিদ্যমান কিন্তু অসমত এনে পার্থক্য নাই।

৪ নং প্রশ্নৰ উত্তৰ ঃ মৌখিক সাহিত্য বা লোকসাহিত্যই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্রৱেশ কৰিব পাৰে। ঠিক সেইদৰে লিখিত সাহিত্যয়ো লোকসাহিত্যত প্রৱেশ কৰিব পাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ লোকআভৰণৰ অন্তর্ভুক্ত হ'ল সাজ-পাৰ আৰু আ-অলংকাৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ তিনিটা।

৭ নং প্রশ্নৰ উত্তৰ ঃ দুটা ভাগত।



১০.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) নাহেন্দ্র পাদুনে লোকসংস্কৃতিক কেইটা ভাগত ভাগ কৰি আলোচনা কৰিছে?

খ) কোনে কিমান চনত ইংৰাজী Folklore পদটিৰ সৃষ্টি কৰে?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ লোকপৰিৱেশ্য কলা মানে কি? ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ভৌতিক সংস্কৃতিৰ অন্তর্গত বিষয়সমূহ কি কি? সেইসমূহৰ বিষয়ে চমুকৈ লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ লোকসংস্কৃতি বুলিলে কি বুজে? অসমৰ লোকসংস্কৃতিক কেইটা শ্রেণীত ভগাব পাৰি? প্রতিটো শ্রেণীৰে একোটা আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমৰ বিভিন্ন উৎসৱ-পার্বনসমূহৰ বিষয়ে এটা টোকা প্রস্তুত কৰক।

*** ***** ***